# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 19-12-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। এক দেশ, এক নিৰ্বাচন বিধেয়কক লৈ চৰকাৰে ৩১ জন সাংসদৰে যুটীয়া সংসদীয় সমিতি গঠনৰ কথা ঘোষণা কৰিছে।

২। নতুন দিল্লীত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সভাপতিত্বত এখন উচ্চ পৰ্যায়ৰ নিৰাপত্তা সম্পৰ্কীয় বৈঠক অনুষ্ঠিত হ'ব।

৩। মুম্বাইত সংঘটিত এটা নাও দুৰ্ঘটনাত ১৩ জন লোকৰ মৃত্যু  হোৱাৰ লগতে কেইবাজনো লোক গুৰুতৰভাৱে আহত হৈছে।

৪। নেপালৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰ্জু ৰাণা দেউবা আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব।

*আৰু*

৫। ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মহিলা দলৰ মাজত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ অন্তিমখন খেল আজি নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত হ'ব।

ooooo

এক দেশ, এক নিৰ্বাচন বিধেয়কক লৈ চৰকাৰে কালি ৩১ জন সাংসদৰে যুটীয়া সংসদীয় সমিতি গঠনৰ কথা ঘোষণা কৰে। প্ৰস্তাৱিত সমিতিখনত লোকসভাৰ ২১ জন আৰু ৰাজ্যসভাৰ ১০ জন সদস্য থাকিব। সমিতিৰ সদস্যসকলৰ ভিতৰত বিজেপি নেতা পি পি চৌধুৰী, অনুৰাগ সিং ঠাকুৰ, আৰু পুৰুষোত্তম ভাইৰূপালা, কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধী আৰু মনীষ তিৱাৰী, তৃণমূল কংগ্ৰেছৰ কল্যাণ বেনাৰ্জী, এন চি পি সাৰদ পাৱাৰ গোটৰ সুপ্ৰিয়া সুলে অন্যতম। বিধেয়ক কেইখনক সংবিধান (১২৯ সংখ্যক সংশোধনী) বিধেয়ক ২০২৪ আৰু কেন্দ্ৰীয় শাসিত প্ৰদেশ আইন (সংশোধনী) বিধেয়ক ২০২৪ হিচাপে নামকৰণ কৰা হৈছে।

ooooo

নতুন দিল্লীত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহৰ সভাপতিত্বত এখন উচ্চ পৰ্যায়ৰ নিৰাপত্তা সম্পৰ্কীয় বৈঠক অনুষ্ঠিত হ'ব। উক্ত বৈঠকত মূলতঃ জম্মু-কাশ্মীৰৰ পৰিস্থিতিৰ লগতে জটিল নিৰাপত্তাজনিত বিষয়সমূহক লৈ আলোচনা কৰা হ'ব। জম্মু-কাশ্মীৰৰ শান্তি শৃংখলা উন্নত কৰিবৰ বাবে পৰ্যালোচনা কৰাৰ লক্ষ্যৰে জম্মু-কাশ্মীৰৰ উপ ৰাজ্যপাল মনোজ সিনহাও বৈঠকখনত অংশ ল'ব। ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোভাল, কেন্দ্ৰীয় গৃহ সচিব গোৱিন্দ মোহন, চোৰাংচোৱা ব্যুৰ'ৰ সঞ্চালক তপন ডেকা, সেনা প্ৰধান উপেন্দ্ৰ দ্বিবেদীকে ধৰি জেষ্ঠ সেনা

বিষয়াসকল, চি-এ-পি-এফৰ সঞ্চালক প্ৰধান, জম্মু-কাশ্মীৰৰ ডি জি পিৰ মুখ্য সচিবকে ধৰি অন্যান্য জেষ্ঠ বিষয়াসকল এই বৈঠকত উপস্থিত থাকিব।

ooooo

মুম্বাইত কালি সংঘটিত এটা নাও দূৰ্ঘটনাত ১৩ জন লোকৰ মৃত্যু হয়। এলিফেণ্টা কেইভছলৈ যাত্ৰা কৰা এখন ব্যক্তিগত নাও ৰাইগড় জিলাৰ উৰানৰ সমীপত দূৰ্ঘটনাত পতিত হয়। নিয়ন্ত্ৰণ হেৰুওৱা এখন নৌসেনাৰ নাৱে যাত্ৰীবাহী নাওখনত খুন্দা মাৰে।

মহাৰাষ্ট্ৰৰ মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফাড়নবিছে প্ৰকাশ কৰা অনুসৰি মৃতসকলৰ ৩ জন নৌসেনাৰ জোৱান আৰু ১০ জন সাধাৰণ নাগৰিক। দূৰ্ঘটনাত গুৰুতৰভাৱে আহত কেইবাজনকো চিকিৎসা প্ৰদান কৰি থকা হৈছে। মুখ্যমন্ত্ৰীগৰাকীয়ে নাগপুৰত সাংবাদিকৰ আগত জনাই যে, উদ্ধাৰ অভিযান ক্ষিপ্ৰতাৰে অব্যাহত আছে আৰু ১০১ জন লোকক ইতিমধ্যে উদ্ধাৰ কৰা হৈছে। তেওঁ লগতে দূৰ্ঘটনাত প্ৰাণ হেৰুওৱাসকলৰ পৰিয়াললৈ ৫ লাখকৈ টকাৰ এককালীন সাহায্য প্ৰদানৰ কথাও ঘোষণা কৰে।

ইপিনে, ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে এই দূৰ্ঘটনাত প্ৰাণ হেৰুওৱাসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে সন্ধানহীনসকল সুকলমে উদ্ধাৰ হোৱাৰ প্ৰাৰ্থনা কৰা বুলি এটা বাৰ্তা যোগে প্ৰকাশ কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও দুৰ্ঘটনাটোত শোকপ্ৰকাশ কৰি আহতসকলৰ আশু আৰোগ্য কামনা কৰিছে। তেওঁ মৃতসকলৰ নিকট আত্মীয়লৈ ২ লাখকৈ আৰু আহতসকললৈ ৫০ হাজাৰকৈ টকাৰ সাহায্য ঘোষণা কৰে।

ooooo

বাহৰেইনে ২৮ গৰাকী ভাৰতীয় মাছ মৰিয়াক মুক্তি প্ৰদান কৰিছে। ৰাহৰেইনৰ জলপৃষ্ঠত অবৈধভাৱে প্ৰৱেশ কৰা অভিযোগত যোৱা ছেপ্তেম্বৰ মাহত মাছমৰীয়া কেইজনক গ্ৰেপ্তাৰ কৰা হৈছিল। তেওঁলোক ৬ মাহ কাৰাদণ্ড দিয়া হৈছিল যদিও ইয়াক ৩ মাহলৈ হ্ৰাস কৰা হয়। বাহৰেইনস্থিত ভাৰতীয় দূতাৱাসে এই সন্দৰ্ভত মাছমৰীয়া কেইজনক আইনী সাহায্য প্ৰদানেৰে তেওঁলোকৰ মুক্তিত  গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। যোৱা ৭ৰ পৰা ৯ ডিচেম্বৰলৈকেও বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ জয়শংকৰে দেশখন ভ্ৰমণ কৰিছিল আৰু গ্ৰেপ্তাৰ হোৱা মাছমৰীয়াসকলক সোনকালেই মুক্তি দিবলৈ অনুৰোধ জনাইছিল। বাহৰেইনত থকা ভাৰতীয় ৰাষ্ট্ৰদূত বিনোদ কে জেকভে এই সন্দৰ্ভত লোৱা পদক্ষেপৰ বাবে দেশখনৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ক কৃতজ্ঞতা জ্ঞাপন কৰিছে।

ooooo

কংগ্ৰেছ দলে পুনৰ ডঃ বি আৰ আম্বেদকাৰক লৈ ভুৱা ধাৰণা সৃষ্টি কৰাৰ অভিযোগ উত্থাপন কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে দলটোক সমালোচনা কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত আম্বেদকাৰৰ বিৰুদ্ধে নিৰ্বাচনত পণ্ডিত জৱাহৰলাল নেহৰুৱে  প্ৰচাৰ চলোৱাৰ বাবে তেওঁৰ পৰাজয় হোৱা সন্দৰ্ভতো মন্ত্ৰীগৰাকীয়ে কংগ্ৰেছৰ পৰা স্পষ্টীকৰণ বিচাৰে। প্ৰায় ৪০ বছৰ ধৰি আম্বেদকাৰক ভাৰতৰত্নৰ পৰা বঞ্চিত কৰা আৰু সংসদৰ চেণ্ট্ৰেল হ'লত আম্বেদকাৰক সন্মান নজনোৱাৰ বাবে কংগ্ৰেছ দলক শ্ৰীবৈষ্ণৱে সমালোচনা কৰে।

ooooo

এটা আন্তঃৰাজ্যিক অস্ত্ৰ সৰবৰাহ গোচৰত ৰাষ্ট্ৰীয় অনুসন্ধানকাৰী সংস্থা নিয়াই কালি ৪ খন ৰাজ্যৰ কেইবাঠাইত তালাচী চলায়। বিহাৰৰ ১২টা স্থানত, হাৰিয়ানাৰ এটা স্থানত, নাগালেণ্ডৰ তিনিটা স্থানত আৰু জম্মু-কাশ্মীৰৰ এটা স্থানত কালি তালাচী চলোৱা হয়। এই অভিযানত সংস্থাটোৱে এটা ৰাইফল, ১১ জাঁই গুলী,

তিনিটা খালী কাৰ্টিজকে ধৰি নিষিদ্ধ অস্ত্ৰসমূহ আৰু মোবাইল ফোন, মেমৰি কাৰ্ড আৰু পেন ড্ৰাইভকে ধৰি ডিজিটেল ডিভাইচসমূহ উদ্ধাৰ কৰে। অভিযানত এখন গাড়ী আৰু প্ৰায় ১৪ লাখ টকা মূল্যৰ নগদ ধনো বাজেয়াপ্ত কৰা হয়।

ooooo

নেপালৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী আৰ্জু ৰাণা দেউবা আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে ভাৰতত উপস্থিত হ'ব। এই ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে এটা চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে স্বাস্থ্য পৰীক্ষাও কৰোৱাব।

নতুন দিল্লীত তেওঁ ইগ্ৰ' ফাউণ্ডেছন আৰু কাঠমাণ্ডু বিশ্ববিদ্যালয়ৰ নেপাল চেণ্টাৰ ফ'ৰ কণ্টেম্পৰাৰী ষ্টাডিজে যুটীয়াভাৱে আয়োজন কৰা ভাৰত-নেপাল সন্মিলনত মুখ্য অতিথিৰূপে ভাষণ প্ৰদান কৰিব। কাইলৈ অনুষ্ঠিত হ'বলগীয়া সন্মিলনখনৰ মূল উদ্দেশ্য হৈছে- ভাৰতৰ অৰ্থনৈতিক বিকাশৰ প্ৰদৰ্শন, আঞ্চলিক সহযোগিতাৰ প্ৰসাৰ আৰু দেশশমূহৰ মাজত সম্পৰ্ক সুদৃঢ় কৰা। পৰহিলৈ মন্ত্ৰীগৰাকীয়ে ভ্ৰমণ সামৰি কাঠমাণ্ডুলৈ উভতি যোৱাৰ কথা।

ooooo

ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ক লৈ গঠিত যুটীয়া সংসদীয় সমিতিয়ে নতুন দিল্লীত কালি মিলিত হয়। লোকসভাৰ সাংসদ জগদম্বিকা পালৰ নেতৃত্বত গঠিত সমিতিয়ে বিধেয়কখন সন্দৰ্ভত সৰ্বভাৰতীয় All India Shia Personal Law Boardৰ পৰামৰ্শ গ্ৰহণ কৰে। বৈঠকৰ পাছত জগদম্বিকা পালে কয়, যে প্ৰস্তাৱিত সংশোধনী সন্দৰ্ভত সমিতিৰ সদস্যসকলে কিছুমান প্ৰশ্নক লৈ বোৰ্ডখনৰ পৰা পৰামৰ্শ বিচাৰিছে। ১৩ গৰাকী বিৰোধী সাংসদকে ধৰি সমিতিখনত ৩১ জন সদস্য আছে। ইয়াৰে ১০ জন ৰাজ্যসভাৰ আৰু ২১ জন লোকসভাৰ।

ooooo

ভাৰত আৰু ৱেষ্ট ইণ্ডিজৰ মহিলা দলৰ মাজত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট প্ৰতিযোগিতাৰ অন্তিমখন খেল আজি নৱী মুম্বাইৰ ডি ৱাই পাটিল ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। প্ৰতিযোগিতাত দুয়োটা দলেই এতিয়ালৈ একোখনকৈ খেলত জয়লাভ কৰিছে। হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতে প্ৰথম খেলখনত ৪৯ ৰানত জয়লাভ কৰাৰ বিপৰীতে দ্বিতীয়খন খেলত আলহী দলটো ৯ উইকেটত জয়ী হৈছিল।

ooooo

মুম্বাইত অনুষ্ঠিত ৭৯ সংখ্যক পশ্চিম ভাৰত শ্লেম স্ক'ৱাশ প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডৰ এখন খেলত ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰীয় চেম্পিয়ন জেনেট বিধিয়ে মালয়েচিয়াৰ ৰিনিকাশ্বেইনী কুলাছেগাৰানক ৩-০ ব্যৱধানত পৰাস্ত কৰিছে। বিধিয়ে আৰম্ভণিতে কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হ'লেও তিনিও ৰাউণ্ডতে পোনপটীয়াকৈ জয়লাভ কৰে।

ooooo

পশ্চিমবংগই সন্তোষ ট্ৰফীৰ ৭৮ সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়নশ্বিপৰ কোৱাৰ্টাৰ ফাইনেলত স্থান নিশ্চিত কৰিছে। কালি হায়দৰাবাদত দলটোৱে ৰাজস্থানক ২-০ গ'লত পৰাস্ত কৰে।

ইপিনে, প্ৰতিযোগিতাৰ গ্ৰুপ-এৰ মণিপুৰ আৰু জম্মু আৰু কাশ্মীৰৰ মাজৰ এখন খেল ১-১ত অমীমাংসিত হৈ ৰয়।

প্ৰতিযোগিতাখনত তিনিখন খেলৰ পৰা বংগই ৯ পইণ্ট সংগ্ৰহ কৰাৰ বিপৰীতে মণিপুৰে এতিয়ালৈ সমসংখ্যক খেলৰ পৰা ৭ আৰু জম্মু আৰু কাশ্মীৰে ফাইনেল ৰাউণ্ডত প্ৰথমটো পইণ্ট অৰ্জন কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২১ ডিচেম্বৰত দুদিনীয়া ভ্ৰমণসূচীৰে কুৱেইটত উপস্থিত হ'ব। কুৱেইটৰ আমীৰ শ্বেইখ মেচাল অল আহমেদ অল জাবেৰ অল চবাহৰ আমন্ত্ৰণক্ৰমে দেশখন ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী হ'ব যোৱা ৪৩ বছৰত দেশ ভ্ৰমণ কৰা প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা মতে, এই ভ্ৰমণকালত প্ৰধানমন্ত্ৰীগৰাকীয়ে কুৱেইটৰ নেতাসকলৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হোৱাৰ লগতে প্ৰৱাসী ভাৰতীয় সম্প্ৰদায়ৰ লোকসকলৰ সৈতেও মত বিনিময় কৰিব। উল্লেখযোগ্য যে, কুৱেইটত বসবাস কৰা ভাৰতীয় সম্প্ৰদায়ৰ লোকসকল হৈছে দেশখনত থকা প্ৰধান প্ৰৱাসী অধিবাসী। শ্ৰীমোদীৰ এই ভ্ৰমণে দুয়োদেশৰ মাজৰ বন্ধুত্বপূৰ্ণ সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লগতে দেশ দুখনৰ জনসাধাৰণৰ মাজৰ মৈত্ৰীপূৰ্ণ সম্পৰ্কও অধিক শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

00000

**সমাপ্ত**